**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 19-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

***Headlines***

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন সংগ্ৰহ প্ৰক্ৰিয়া অব্যাহত।

২। নিৰ্বাচন আয়োগৰ আসন্ন বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীৰ ব্যয়ৰ সীমা ৪০ লাখ ধাৰ্য।

৩। জুবিনগাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত শুনানি।

আৰু

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত তিনিদিন ধৰি হোৱা ধুমুহা-বৰষুণত ২৩ খন জিলাৰ আঠ সহস্ৰাধিক লোক ক্ষতিগ্ৰস্ত।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন সংগ্ৰহ তথা দাখিলকে ধৰি বিভিন্ন তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। ৰাজ্যিক বিজেপিৰ জ্যেষ্ঠ নেতা ডঃ শৰ্মাৰ উপস্থিতিত কালি নিশা দলটোৰ সংসদীয় পৰিষদৰ বৈঠকত দলৰ ৮৯ গৰাকী প্ৰাৰ্থীৰ নাম কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি কালি নিশা চূড়ান্ত কৰা হৈছে বুলি জানিব পৰা গৈছে। নতুনকৈ দলটোত যোগদান কৰা জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত চূড়ান্ত প্ৰাৰ্থী তালিকাত যথেষ্ট সাল-সলনি কৰা হৈছে বুলিও জানিব পৰা গৈছে। বিধানসভা নিৰ্বাচনত ৰাজ্যৰ ১২৬ টা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৮৯ টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি বাকী ৩৭ টা সমষ্টি মিত্ৰদলসমূহলৈ এৰি দিব বুলি জ্যেষ্ঠ নেতা ডঃ শৰ্মাই কালি নতুন দিল্লীত সাংবাদিকৰ আগত মন্তব্য কৰে। কংগ্ৰেছ দলে আজি তৃতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ড০ হিমন্ত বিশ্ব শৰ্মা, পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত শ্ৰীবৰদলৈয়ে দলটোত যোগ দিয়ে। নেতাগৰাকীৰ দলত্যাগ দুৰ্ভাগ্যজনক যদিও ইয়াৰ ফলত দলৰ নিৰ্বাচনী কাম-কাজ কোনো কাৰণতে ক্ষতিগ্ৰস্ত বা প্ৰভাৱন্বিত নহয় বুলি প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰে।

ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে কালি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

দলীয় কৰ্মকৰ্তাসকলৰ সৈতে এলানি বৈঠকৰ পাছত বি পি এফৰ প্ৰাৰ্থী তালিকা আজি সন্ধিয়াৰ ভিতৰত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে বুলি দলটোৰ জ্যেষ্ঠ নেতা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিছে।

(বাইট)

চিৰাং জিলাৰ বিজনীত কালি অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ইউ পি পি এল আৰু বিজেপিৰ কেইবাজনো জ্যেষ্ঠ নেতাৰ লগতে ভালেসংখ্যক দলীয় কৰ্মীয়ে বি পি এফত যোগদান কৰে। ইউ পি পি এলৰ বিজনী জিলা গোটৰ উপ-সভাপতি শংকৰ বৰ্মন, কোচ-ৰাজবংশী কোষৰ উপ-সভাপতি অমৃত ৰায়, বিজেপিৰ জনজাতি মৰ্চাৰ উপ-সভাপতি ধৰণী বড়োকে ধৰি মুঠ ৮০ গৰাকী সদস্যই কালি দলটোত যোগদান কৰে।

ইফালে, চাৰিগৰাকী প্ৰাৰ্থীৰে ইউ পি পি এলৰ দ্বিতীয়খন তালিকা কালি প্ৰকাশ পাইছে। বাক্সা, গহপুৰ, বৰছলা আৰু বকো-ছয়গাঁও সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে।

0000000

নিৰ্বাচন আয়োগে আসন্ন বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীৰ ব্যয়ৰ সীমা ৪০ লাখ ধাৰ্য কৰিছে। এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচন আয়োগক ব্যয় সম্পৰ্কীয় সকলো তথ্য দাখিল কৰিব লাগিব বুলি আয়োগে স্পষ্ট কৰি দিছে। ২০২২ চনৰ ৬ জানুৱাৰীত চৰকাৰে সংশোধন কৰা অনুসৰি ব্যয়ৰ উচ্চ সীমা নিৰ্ধাৰণ কৰা হৈছে বুলি আয়োগে প্ৰকাশ কৰিছে। এই অনুসৰি অসম, কেৰেলাম, তামিলনাডু আৰু পশ্চিমবংগৰ প্ৰাৰ্থীয়ে ৪০ লাখ টকালৈকে আৰু পুডুচেৰীৰ প্ৰাৰ্থীয়ে ২৮ লাখ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব।

সমাগত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে অসমসহ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ২৫ লাখৰো অধিক বিষয়া-কৰ্মচাৰীক নিয়োগ কৰিছে। প্ৰতি ৭০ গৰাকী ভোটদাতাৰ বিপৰীতে এগৰাকী নিৰ্বাচন কৰ্মী থাকিব পৰাকৈ এই ব্যৱস্থা কৰা হৈছে। এই কৰ্মীসকলৰ ভিতৰত এহেজাৰ ১১১ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষক। তেওঁলোকৰ ভিতৰত ৫৫৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৮৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৩৬৬ গৰাকী ব্যয় পৰ্যবেক্ষক আছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে কালি এই ব্যয় পৰ্যবেক্ষকসকলক সংশ্লিষ্ট সমষ্টিসমূহত উপস্থিত হৈছে। তদুপৰি নিৰ্বাচনী দায়িত্ব অৰ্পণ কৰা কৰ্মচাৰীসকলৰ ভিতৰত ১৫ লাখ প'লিং বিষয়া, চাৰে ৮ লাখ নিৰাপত্তা বিষয়া আৰু ৪০ হাজাৰ জন গণনাকৰ্মী নিয়োগ কৰা হ'ব। ইয়াৰ লগতে ৪৯ হাজাৰ মাইক্ৰ' অবজাৰ্ভাৰ, ২১ হাজাৰ ছেক্টৰ বিষয়া আৰু অন্য বিষয়াৰ সৈতে ভোটগণনাৰ সময়ত অন্য ১৫ হাজাৰ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰ থাকিব। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ সৈতে প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে যোগাযোগ কৰিব পাৰিব। একেদৰে জনসাধাৰণেও নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি তেওঁলোকক দিব পাৰিব। ভোটদাতাসকলে ভোটগ্ৰহণ সম্পৰ্কীয় কোনো বিষয় সম্পৰ্কে জানিবৰ বাবে বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। এতিয়ালৈকে ২ লাখ ১৮ হাজাৰ বুথ পৰ্যায়ৰ বিষয়াক নিযুক্তি দিয়া হৈছে। অসম, পশ্চিমবংগ, তামিলনাডু, পুডুচেৰী আৰু কেৰালামৰ ৮৩২টা বিধানসভা সমষ্টিত এইবাৰ ১৭ কোটি ৪০ লাখতকৈও অধিক ভোটদাতাই গণতান্ত্ৰিক ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব।

0000000

নিৰ্বাচন আয়োগে ৰাজ্যখনত বিধানসভা নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক কালি সংশ্লিষ্ট জিলাসমূহত উপস্থিত হৈ জিলাৰ ন'ডেল বিষয়া আৰু বিভিন্ন দলৰ সদস্যৰ সৈতে মত বিনিময় কৰে।

**চৰাইদেউ** জিলাৰ সোণাৰি আৰু মাহমৰা সমষ্টিৰ বাবে নিয়োগ কৰা সাধাৰণ পৰ্যবেক্ষক ৰাহুল পাণ্ডে, আৰক্ষী পৰ্যবেক্ষক এ জি বাবু আৰু ব্যয় পৰ্যবেক্ষক ভি সুধা ৰাণীয়ে জনসাধাৰণ তথা ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনী বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। প্ৰতিদিনে দিনৰ ১১ বজাৰ পৰা ১২ বজালৈ ৰাইজে তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিব পাৰিব।

**যোৰহাট** জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ বাবেও তিনি গৰাকী পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে।

ধুবুৰী জিলাত ৫টা সমষ্টিৰ বাবে কালি দুগৰাকী ব্যয় পৰ্যবেক্ষক জিলাখনত উপস্থিত হয়। গৌৰীপুৰ, বীৰছিং জৰুৱা আৰু বিলাসীপাৰা সমষ্টিৰ বাবে প্ৰকাশ চৌধুৰী তথা গোলকগঞ্জ আৰু ধুবুৰীৰ পৰ্যবেক্ষক ভামচি কৃষ্ণা ৰেড্ডীয়ে কালি নিৰ্বাচনৰ প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ যাৱতীয় ব্যয় সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰে। তেওঁলোকে বিভিন্ন কোষৰ ন'ডেল বিষয়া আৰু ৰাজনৈতিক দলৰ সদস্যৰ সৈতে মত বিনিময় কৰে। কোকৰাঝাৰ জিলাৰ ৪টা সমষ্টিৰ বাবে নিয়োগ কৰা পৰ্যবেক্ষকসকলে জনসাধাৰণ, ৰাজনৈতিক দলৰ সদস্য আৰু প্ৰাৰ্থীৰ সৈতে সপ্তাহৰ কৰ্মদিন সমূহত পুৱা ৯ বজাৰ পৰা ১০ বজালৈ মত বিনিময় কৰিব বুলি প্ৰকাশ কৰিছে। গোৱালপাৰা জিলাত ভাৰতীয় ৰাজহ সেৱা বিষয়া জয় প্ৰকাশ ভামুকক ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা হৈছে। তেওঁ কালি জিলা প্ৰশাসন আৰু ব্যয় নিৰীক্ষণ দলৰ সৈতে বৈঠকত মিলিত হৈ কেইবাটাও বিষয় সম্পৰ্কে আলোচনা কৰে। একেদৰে মৰিগাঁও জিলাত ব্যয় বৰ্যবেক্ষক হিচাপে নিয়োজিত আৰ এল অৰুণ প্ৰসাদে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সৈতে বৈঠকত মিলিত হয়। তামুলপুৰ জিলাতো সাধাৰণ পৰ্যবেক্ষক, মুল্লাই মুহীলান আৰু আৰক্ষী পৰ্যবেক্ষক কাৰ্ত্তিকেও কালি জিলাখনত উপস্থিত হৈ গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে। বিশ্বনাথতো নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক অমিত সিং বাঞ্চালে কালি জিলাখনত নিৰ্বাচনী কাম-কাজ পৰিচালনা কৰে।

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত শুনানি অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাৰ পৰা প্ৰাপ্ত তথ্য অনুযায়ী অভিযুক্তৰ ওপৰত প্ৰযোজ্য হ'বলগীয়া গোচৰৰ ধাৰা বিষয়ত আজিৰেপৰা শুনানি গ্ৰহণ কৰা হ'ব। এই অনুযায়ী আজি বিশেষ লোক অধিবক্তাৰ দলে অভিযুক্তসকলৰ ওপৰত আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰাৰ যুক্তিযুক্ততা সন্দৰ্ভত যুক্তি প্ৰদৰ্শন কৰিব।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত তিনিদিন ধৰি হোৱা ধুমুহা-বৰষুণৰ ফলত ২৩ খন জিলাৰ ৫৭৭ খন গাঁৱৰ আঠ সহস্ৰাধিক লোক ক্ষতিগ্ৰস্ত হৈছে। কামৰূপ, বঙাইগাঁও, বজালী, নগাঁও, চিৰাং, মাজুলী, লখিমপুৰ, কাছাৰ, দৰং, বাক্সা, ধুবুৰীকে ধৰি জিলাকেইখনৰ ১১১ টা বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ লগতে এহেজাৰ ৫০০ ৰো অধিক গৃহ আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে বুলি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। তদুপৰি ৫২ হেক্টৰ কৃষিভূমিও ধুমুহাৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। কালি আৰু পৰহি উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাত ধাৰাসাৰ বৰষুণ, বতাহ আৰু কোনো কোনো ঠাইত শিল-বৰষুণৰ ফলত ক্ষতি হয়। বাক্সা জিলাত এজন লোকৰ ধুমুহা বৰষুণৰ ফলত মৃত্যু হয়।

আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা তিনি-চাৰি দিনলৈ ৰাজ্যৰ বিভিন্ন জিলাত ধুমুহা-বৰষুণ অব্যাহত থকাৰ লগতে উষ্ণতা হ্ৰাস পাব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে অসমত ১ মাৰ্চৰ পৰা কালি পৰ্যন্ত স্বাভাৱিক বৰষুণ ২৭ দশমিক ৮ ৮ মিলিমিটাৰৰ পৰিৱৰ্তে ৯৩ দশমিক ৬ মিলিমিটাৰ বৰষুণ হৈছে। এই বৰষুণৰ পৰিমাণ ২৩৬ শতাংশ অধিক বুলি প্ৰকাশ কৰা হৈছে। একেদৰে চুবুৰীয়া ৰাজ্য মেঘালয়ত ২৩৭ শতাংশ অধিক, মণিপুৰত ২৪৫ শতাংশ অধিক আৰু নাগালেণ্ডত ১২২ শতাংশ অধিক পৰিমাণে বৰষুণ হৈছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

0000000

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ শ্ৰীশ্ৰী আদি বুদবাৰী সত্ৰ উন্নয়ন সমিতিৰ উদ্যোগত সত্ৰখনৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি দুদিনীয়া কাৰ্যসূচীৰে বৰসবাহ, ভাগৱত ব্যাখ্যা আৰু ভাওনা পৰিৱেশনৰ আয়োজন কৰা হৈছে। কালি নিশা এই উপলক্ষে 'ব্ৰজবাহু ৰক্ত তৰোৱাল আৰু ধ্ৰুৱবাহু হৰিদৰ্শন মুণ্ডাসুৰ বধ' শীৰ্ষক  ভাওনাখন প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত আউনীআটি সত্ৰৰ ডেকা সত্ৰাধিকাৰৰ লগতে সেৰকি গাঁওসমূহৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰে।

0000000

**সমাপ্ত**